# ২০২৫-২০২৬ বৰ্ষৰ কাবাডী শাখাৰ বাৰ্ষিক প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি, সাধাৰণ সম্পাদক, যুটীয়া সম্পাদকদ্বয় প্ৰমূখ্যে সাধাৰণ সভাৰ সকলো সদস্যলৈকে মোৰ শুভেচ্ছা জ্ঞাপন কৰি নগাওঁ ক্ৰীড়া সংস্থাৰ কাবাডী শাখাৰ সম্পাদক হিচাপে আপোনালোকৰ জ্ঞাতাৰ্থে ২০২৫-২০২৬ বৰ্ষৰ কাবাডী শাখাৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাঙি ধৰা হ'ল।

পোনপ্ৰথমেই আপোনাসৱক জনাও যে, ২০২৪-২৫ বৰ্ষৰ অক্টোবৰ মাহত নলবাৰীত অনুষ্ঠিত হোৱা ১৫ তম্ সদৌ আন্তঃজিলা ছাব-জুনিয়ৰ কাবাডী প্ৰতিযোগিতাখনিত পুৰুষ শাখাত নগাঁও দলে ছেমিফাইনেলত নলবাৰীৰ লগত পৰাস্ত হয়। ২০২৫ চনৰ অক্টোবৰ ধুবুৰীত অনুষ্ঠিত হোৱা ১৫ তম্ সদৌ আন্তঃজিলা ছাব-জুনিয়ৰ মহিলা কাবাডী প্ৰতিযোগিতাখনিত নগাঁৱৰ মহিলা দলে অংশগ্ৰহণ কৰে পোনপ্ৰথমবাৰৰ বাবে নক্‌আউট পৰ্যন্ত যাবলৈ সক্ষম হয়। বিগত বৰ্ষৰ ডিচেম্বৰ মাহত বাক্সা জিলাত অনুষ্ঠিত হোৱা সদৌ আন্তঃজিলা ছাব-জুনিয়ৰ মহিলা কাবাডী প্ৰতিযোগিতাখনিত নগাঁৱৰ মহিলা দলে অংশগ্ৰহণ কৰে আৰু প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয়।

২০২৫-২০২৬ বৰ্ষত নগাঁও ক্ৰীড়া সংস্থাৰ পঞ্চম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহৰ আন্তঃক্লাব কাবাডী প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে নগাঁও ক্ৰীড়া সংস্থাৰ নিজা কাবাদী মেটত অনুষ্ঠিত হয়। পুৰুষ শাখাত আঠটি দলে আৰু মহিলা শাখাত ছটা দলে অংশগ্ৰহণ কৰে। পুৰুষ শাখাত চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে ষ্টাৰ স্প'ৰ্টিং ক্লাৱে আৰু ৰাণাৰ-আপ হয় খুটীকটিয়া যুথ ক্লাব আৰু তৃতীয় স্থান অধিকাৰ কৰে ৰেডিয়েল ক্লাবে। মহিলা শাখাত চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে অম্লান গোষ্ঠী আৰু ৰাণাৰ-আপ হয় নগাঁও টাউন ক্লাৱ আৰু তৃতীয় স্থান অধিকাৰ কৰে সূৰ্য্যোদয়ে ক্লাৱে। প্ৰতিযোগিখন সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত সৰ্বশ্ৰী নুৰুল আমিন, অহিদুজ জামান, দুলাল আহমেদ, চাহিল আহমেদ, য়াছমিন চুলতানা আৰু চৰিফুল ইচলাম - এইসকল খেল পৰিচালকে বিশেষভাৱে সহায় কৰে। এই সুযোগতে মই তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই সুযোগতে মই নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি ডাঙৰীয়াৰ লগতে সাধাৰণ সম্পাদক আৰু যুটীয়া সম্পাদক প্ৰমুখ্যে সকলো ক্ৰীড়া সন্থাৰ বিষয়ববীয়া কাবাডীৰ খেলুৱৈসকলে দিৰ্ঘকালীনভাৱে বিচাৰি থকা প্ৰশিক্ষণৰ বাবে কাবাডী মেট প্ৰদান কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰো।

নগাওঁ ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামৰ কাবাডীৰ গ্ৰাউণ্ডত কাবাডী শাখাৰ নিয়মীয়া প্ৰশিক্ষণ সুচাৰুৰূপে চলি থাকে। এই ক্ষেত্ৰত প্ৰশিক্ষক চাহিল আহমেদ লগতে ৰাকিবুৰ আলীয়ে আমাক বিশেষভাৱে সহায় কৰে। তেওঁলোকৰ ওচৰত আমি চিৰকৃতজ্ঞ।

সৰ্ববশেষত, মোৰ এই শাখাটি পৰিচালনা কৰাত সকলো দিশতে সহায়-সহযোগিতা, সু-পৰামৰ্শ দিয়া সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জনাই এই বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**"জয় আই অসম"**

**"জয়তু নগাওঁ ক্ৰীড়া সংস্থা"**

**ৰজত বৰদলৈ**
শাখা সম্পাদক, কাবাডী
নগাওঁ ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম।